**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞান বিষয়ৰ উত্তৰবহীত পৰিক্ষাৰ্থীসকলক অতিৰিক্ত নম্বৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখন জটিল হোৱা বুলি বৰপেটা, বৰদোৱা ভ্ৰমণ কৰাৰ সময়ত তেওঁক শিক্ষাৰ্থীসকলে ওজৰ-আপত্তি দিছিল। শিক্ষাৰ্থীসকলৰ এই অভিযোগৰ ভিত্তিত তেওঁ বিষয়টো পৰ্যালোচনা কৰিবলৈ ছেবাৰ অধ্যক্ষক পৰামৰ্শ দিয়া বুলি উল্লেখ কৰিছে। ছেবাৰ অধ্যক্ষগৰাকীৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখনৰ শৈলী যোৱা বছৰৰ পৰা কিছু সালসলনি কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সাধাৰণ জ্ঞানৰ পৰীক্ষা লোৱাৰ ব্যৱস্থা হিচাপে এনে কৰা ভাল হৈছে যদিও ইয়াৰ ফলত যদি শিক্ষাৰ্থীসকলক পৰীক্ষাত অনুত্তীৰ্ণ হ'বলগীয়া হয় তেন্তে সেয়া দুখৰ কথা হ'ব বুলি উল্লেখ কৰিছে। সেয়ে অন্যান্য বিষয়ৰ পৰীক্ষা ভাল হোৱা পৰিক্ষাৰ্থীসকলক সমাজ বিজ্ঞানৰ পৰীক্ষাত অতিৰিক্ত নম্বৰৰ সুবিধা কৰি দিবলৈ ছেবাৰ অধ্যক্ষগৰাকীক তেওঁ অনুৰোধ জনাইছে বুলি সদৰি কৰিছে। আনহাতে অহা ২০ মাৰ্চত ডিব্ৰুগড়ত হ'বলগীয়া মন্ত্ৰীসভাৰ বৈঠকত ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহতো প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ বিষয়টো আলোচনা কৰি এই বিষয়ত সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰিছে।

০০০০০

উজনি অসমৰ চাৰিখন জিলাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনি ৰূপায়ণৰ নামত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ সন্দৰ্ভত তদন্তৰ ব্যৱস্থা গ্ৰহণ নকৰাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত পূৰ্বৰ ইন্দিৰা আৱাস যোজনা আৰু এম জি এনৰেগা আঁচনি ৰূপায়ণৰ নামত ২০০৪ চনৰ পৰা ২০১৮ চনলৈ প্ৰায় ৫০০ কোটি টকাৰ অপব্যৱহাৰ হোৱা বুলি নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে দিয়া প্ৰতিবেদনৰ ভিত্তিত আমগুৰি নৱনিৰ্মাণ সমিতিয়ে ইয়াৰ তদন্ত বিচাৰি ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত উচ্চ ন্যায়ালয়ে ২০২২ চনৰ ২৫ নৱেম্বৰত ৰাজ্য চৰকাৰক বিষয়টোৰ তদন্ত কৰিবলৈ নিৰ্দেশ দি আবেদনখন নিষ্পত্তি কৰিছিল। চৰকাৰে দুবছৰৰো অধিক সময় জুৰি এই বিষয়ত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত সমিতিখনে শেহতীয়াকৈ চৰকাৰৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ ৰুজু কৰে। এই গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে।

০০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ২০২৪ বৰ্ষৰ **চীফ মিনিষ্টাৰ্ছ গ্ৰীণ ফেল'শ্বিপ প্ৰ'গ্ৰামৰ** অধীনত লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ৩ গৰাকী ছাত্ৰী ইউৰোপৰ ক্ৰ'ৱেচিয়াৰ জচিপ জুৰাজ, স্কৰ'চমায়াৰ অচিজেক বিশ্ববিদ্যালয়লৈ পৰিৱেশ বিষয়ক হ্ৰস্বকালীন প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হৈছে। মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু পৃষ্ঠপোষক **এডুপেকড** সংস্থাৰ এনে পদক্ষেপৰ বাবে লখিমপুৰ বালিকা মহাবিদ্যালয়ে সংশ্লিষ্ট ব্যক্তি আৰু কৰ্তৃপক্ষৰ শলাগ লৈছে। এই সুবিধা লাভ কৰা ছাত্ৰীকেইগৰাকী হৈছে- ৰিবিকা চুংক্ৰাং, সোণমণি কামাণ আৰু চন্দ্ৰাণী গোস্বামী।

০০০০০

নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পত অহা মাহৰ দ্বিতীয় সপ্তাহৰ পৰা এন এইছ পি চিয়ে বিদ্যুৎ উৎপাদন কৰাৰ বাবে সাজু হৈছে। দুহেজাৰ মেগাৱাট শক্তি সম্পন্ন জলবিদ্যুৎ প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এন এইচ পি চিয়ে প্ৰথম পৰ্যায়ত প্ৰকল্পটোৰ তিনিটা ইউনিট কাৰ্যক্ষম কৰি ৭৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব। ১১ নাইবা ১২ এপ্ৰিলৰ পৰা বিদ্যুৎ উৎপাদন আৰম্ভ কৰি ২০২৬-২৭ বৰ্ষৰ পৰা প্ৰকল্পটোৰ আটাইকেইটা ইউনিট কাৰ্যক্ষম কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। প্ৰকল্প নিৰ্মাণকাৰী সংস্থাটোৱে অহা মাহত বিদ্যুৎ উৎপাদন কৰিবলগীয়া তিনিওটা ইউনিটৰ পৰীক্ষা চলিত মাহৰ তৃতীয়টো সপ্তাহৰ আৰম্ভণিতে সম্পন্ন কৰিব বুলি জানিব পৰা গৈছে।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা সাংসদ অমৃত পাল সিঙৰ লগতে সাতজন সহযোগীক ডিব্ৰুগড়ৰ পৰা পঞ্জাবলৈ স্থানান্তৰ প্ৰক্ৰিয়া কালি আৰম্ভ হয়। কালি অমৃত পাল সিঙৰ তিনিজন সহযোগীক মুকলি কৰি দিয়া হয়। লোক কেইজনক অসম চিকিৎসা মহাবিদ্যালয়ত স্বাস্থ্য পৰীক্ষা কৰোৱাৰ পাছত ডিব্ৰুগড় আদালতত হাজিৰ কৰি পুনৰ কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ যোৱা হয়। ইয়াৰ পাছতে তেওঁলোকৰ স্থানান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ হয়। আজি দুজন আৰু কাইলৈ তিনিজন বন্দীক মুকলি কৰি দিয়া হ'ব বুলিও জানিব পৰা গৈছে। তেওঁলোকক দুদিন ধৰি ডিব্ৰুগড়ত বাহৰ পাতি থকা ২৫ জনীয়া পঞ্জাব আৰক্ষীৰ দলে পুনৰ পঞ্জাবলৈ লৈ যোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা সিং আৰু তেওঁৰ ৯ জন সহযোগীৰ ভিতৰত ৭ জনৰ ওপৰত বলবৎ থকা এই আইন শিথিল কৰাৰ বাবে পঞ্জাব চৰকাৰে সিদ্ধান্ত লৈছে।

০০০০০

প্ৰখ্যাত ডি আই কালাৰিষ্ট তথা অনলাইন গ্ৰাফিক ডিজাইনাৰ সুজীত বৰাৰ কালি মুম্বাইৰ ভক্তি বেদান্ত চিকিৎসালয়ত দেহাৱসান ঘটে। ভি চি পি মায়'পেথি নামৰ বিৰল অৰক্ষয়ীজিনিয় ৰোগত আক্ৰান্ত প্ৰয়াত বৰাই শতাধিক হিন্দী, মাৰাঠী আৰু অসমীয়া চলচ্চিত্ৰৰ লগতে কেইবাখনো ধাৰাবাহিকত কৰা কামৰ বাবে সুখ্যাতি অৰ্জন কৰিছিল। তিনিচুকীয়া জিলাৰ মাকুমৰ সন্তান প্ৰয়াত বৰাই কাম কৰা কেইখনমান বিখ্যাত হিন্দী চলচ্চিত্ৰ হ'ল- কাহো না প্যাৰ হে, পৰদেশ, হম দিল দে চুকে চানাম ইত্যাদি।

০০০০০

সমাপ্ত